**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। দিল্লীৰ ৭০খন আসনবিশিষ্ট বিধানসভাৰ ৫ ফেব্ৰুৱাৰীত হোৱা নিৰ্বাচনৰ আজি ভোটগণনা চলি আছে। দিল্লীৰ ১৯টা কেন্দ্ৰত ভোটগণনা কৰা হৈছে।

২। বাংলাদেশৰ গাজীপুৰত প্ৰাক্তন মন্ত্ৰী মুজাম্মেল হকৰ বাসগৃহ একাংশ আক্ৰমণকাৰীয়ে লণ্ডভণ্ড কৰাৰ ফলত অঞ্চলটোত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়।

৩। গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলি থকা গুৱাহাটী এছিয়ান চলচিত্ৰ মহোৎসৱৰ আজি দ্বিতীয় দিনা দেশী-বিদেশী ভালেকেইখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

৪। যোৰহাটৰ মʼহবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনস্থলীত ব্যাপক জনসমাগম পৰিলক্ষিত হৈছে।

*আৰু*

৫। এল এণ্ড টি মুম্বাই অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত মায়া ৰাজেশ্বৰণ ৰেভাথি আজি ছেমি ফাইনেলত ছুইজাৰলেণ্ডৰ জিল টেকমেনৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

ooooo

দিল্লীৰ ৭০খন আসনবিশিষ্ট বিধানসভাৰ ৫ ফেব্ৰুৱাৰীত হোৱা নিৰ্বাচনৰ আজি ভোটগণনা চলি আছে। দিল্লীৰ ১৯টা কেন্দ্ৰত ভোটগণনা কৰা হৈছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভোটগণনাত বিজেপি ৪৮খন আসনত আগবাঢ়ি থকাৰ বিপৰীতে ১০ বছৰ ধৰি দিল্লীৰ শাসনত থকা আম আদমী পাৰ্টী ২২ খন আসনতহে আগবাঢ়ি আছে। নতুন দিল্লী সমষ্টিত আপৰ প্ৰধান নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু জংপুৰা সমষ্টিত আপৰ নেতা তথা প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছডিয়া পৰাজিত হৈছে। অৰবিন্দ কেজৰিৱাল নিকতটম প্ৰতিদ্বন্দ্বী বিজেপিৰ পৰভেছ বাৰ্মাৰ বিৰুদ্ধে পৰাজিত হয়। এই সমষ্টিত কংগ্ৰেছৰ সন্দীপ দীক্ষিতেও প্ৰতিদ্বন্দ্বিতা কৰিছিল। অৱশ্যে কেইবাটাও সমষ্টিৰ ফলাফল জানিব পৰা হৈছে যদিও আনুষ্ঠানিকভাৱে ফলাফল ঘোষণা কৰা হোৱা নাই। কালকাজী সমষ্টিত বিজেপিৰ ৰমেশ বিধুৰী আপৰ নেতা তথা মুখ্যমন্ত্ৰী আতিশীতকৈ আগবাঢ়ি আছে। ত্ৰিনগৰ সমষ্টিত ১৪ ৰাউণ্ডৰ ভোটগণনাৰ পাছত বিজেপিৰ প্ৰাৰ্থী তিলক ৰাম গুপ্তা নিকতটম প্ৰতিদ্বন্দ্বী আপৰ প্ৰীতি জিতেন্দৰ টোমৰতকৈ ১৫ হাজাৰৰো ধিক ভোটত আগবাঢ়ি আছে। একেদৰে শালিমাৰ বাগ সমষ্টিত বিজেপিৰ ৰেখা গুপ্তা ১৪ ৰাউণ্ডৰ ভোটগণনাৰ পাছত আপৰ বন্দনা কুমাৰীতকৈ ২৯ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

দিল্লী বিধানসভা নিৰ্বাচনৰ লগতে উত্তৰ প্ৰদেশ আৰু তামিলনাডুৰ এটাকৈ বিধান সভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাও চলি আছে। উত্তৰ প্ৰদেশৰ মিল্কীপুৰ বিধানসভা সমষ্টিত বিজেপিৰ চন্দ্ৰভানু পাচোৱান ৩৬ হাজাৰৰো

অধিক ভোটত আগবাঢ়ি আছে। তামিলনাডুৰ এৰ'ডে পূব বিধানসভা সমষ্টিত ডি এম কেৰ চন্দ্ৰিকাকুমাৰ ভি চি ২৪ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ০০০

০০০০০

বাংলাদেশৰ গাজীপুৰত প্ৰাক্তন মন্ত্ৰী মুজাম্মেল হকৰ বাসগৃহ একাংশ আক্ৰমণকাৰীয়ে লণ্ডভণ্ড কৰাৰ ফলত অঞ্চলটোত হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। একাংশ ক্ষুব্ধ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় বাসিন্দাইও এই ধ্বংস কাৰ্যত ইন্ধন যোগায়। ওচৰতে থকা মচজিদ এটাৰ মেগাফোনৰ জৰিয়তে জৰুৰীকালীন সহায় বিচৰাৰ লগতে এই আক্ৰমণৰ বিৰুদ্ধে সতৰ্কতা জাৰি কৰে। অৱশ্যে একাংশ সচেতন স্থানীয় বাসিন্দাই এই আক্ৰমণ বাধা দিবলৈ চেষ্টা কৰে আৰু আক্ৰমণকাৰীৰ লগত হতাহতিত লিপ্ত হয়। আক্ৰমণ সংঘটিত স্থানত  সেনাবাহিনীৰ লোক উপস্থিত হৈ অঘাতপ্ৰাপ্ত লোকসকলক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে  বাংলাদেশত চলি থকা জনবিক্ষোভৰ তৃতীয়টো দিনত আক্ৰমণকাৰীসকল প্ৰথমবাৰৰ বাবে আজি প্ৰতিৰোধৰ সন্মুখীন হয়। ইফালে দেশখনত হৈ থকা এনে ঘটনাত বহু লোক আৰু সংস্থাই দেশখনৰ চৰকাৰৰ ভূমিকাক সমালোচনা কৰি বাংলাদেশৰ সুস্থিৰতা আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াক বিঘ্নিত কৰিব বুলি সতৰ্ক কৰি দিয়ে।

০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত চলি থকা গুৱাহাটী এছিয়ান  চলচিত্ৰ মহোৎসৱৰ আজি দ্বিতীয় দিনা দেশী-বিদেশী ভালেকেইখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত  আজি মৃদুল গুপ্তা পৰিচালিত কাৰ্বি ছবি **মিৰবিন** আৰু ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত চীনৰ ছবি **দ্যা গ্ৰেট ফুকেট** প্ৰদৰ্শিত হয়। আজি দিনৰ ১২ বজাত শ্ৰুতিস্মৃতি চাংকাকতি পৰিচালিত **বিফ'ৰ স্প্ৰীং** চলচিত্ৰখনো মহোৎসৱত প্ৰদৰ্শিত হয়। **ইন দ্যা নেইম অৱ ফায়া**ৰ নামৰ অভিলাস শৰ্মা পৰিচালিত চলচিত্ৰখন ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃত চলি আছে। ইপিনে আজি পুৱাৰ ভাগত নিকনৰ উদ্যোগত জ্যোতি চিত্ৰবনত এখন কৰ্মশালা অনুষ্ঠিত হয়। দিনৰ ২ বজাত A NEW LANDSCAPE OF INDIAN CONTENPORARY INDIE CINEMA : A CRICTIC OF NEW FILM MAKERS & NEW CHALLANGES শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই আলোচনা চক্ৰত পৰিচালক আৰফাজ আয়ুব, শ্ৰুতিস্মৃতি চাংকাকতি, অভিলাস শৰ্মাৰ লগতে  ভালেসংখ্যক চলচিত্ৰপ্ৰেমী উপস্থিত থাকিব। আলোচনা চক্ৰৰ আঁত ধৰিব চলচ্চিত্ৰ সমালোচক প্ৰাঞ্জল বৰাই।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে মহোৎসৱৰ কালি উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অভিনেত্ৰী শিবা চাদ্দা, শ্ৰীলংকাৰ চলচ্চিত্ৰ পৰিচালক প্ৰচন্ন ভিথানাগে চিত্ৰনাট্যকাৰ আকাশাদিত্য লামা আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ছবি নিৰ্মাতা মঞ্জু বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। কালিৰ কাৰ্যসূচীত চলচ্চিত্ৰ নিৰ্মাণ বিষয়ত এখন আলোচনাচক্ৰও অনুষ্ঠিত হয়। এই আলোচনাত চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে জড়িত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰাণ, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শনৰো দিহা কৰা হৈছে।

০০০০০০০

যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনস্থলীত ব্যাপক জনসমাগম পৰিলক্ষিত হৈছে। অধিবেশনৰ আজি তৃতীয় দিনা নাম-প্ৰসংগ, মুকলি সভা, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। পৰিৱেশ নিকাকৰণ আৰু প্ৰাতঃ প্ৰসংগৰে আৰম্ভ হোৱা আজিৰ কাৰ্যসূচীত সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই অধিৱেশনৰ ধৰ্মধবজা উত্তোলন কৰে। ইয়াৰ পাছতে পদাধিকাৰক লৈ ভাগৱত ভ্ৰমণ আৰু বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা কেইবাহাজাৰ ভক্ত, যুৱক-যুৱতী, মহিলা তথা বিভিন্ন জাতি-ধৰ্মৰ লোকে এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি অধিৱেশনৰ মূল সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত ভালেমান বিশিষ্ট লোকে ত্ৰিবেনী সংগমত পবিত্ৰ স্নান কাৰ্যত অংশগ্ৰহণ কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি বৰ্তমানলৈ ৪১ কোটিতকৈও অধিক ভক্তই পবিত্ৰ স্নান সম্পন্ন কৰিছে আৰু এই স্নানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বহু লাখ ভক্তই এতিয়াও প্ৰয়াগৰাজলৈ আহিয়েই আছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ মন্ত্ৰালয়ে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত এটা পেভেলিয়ন স্থাপন কৰিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই পেভেলিয়নটোত চৰকাৰী বিভিন্ন আঁচনি আৰু সকলো ধৰণৰ অত্যাধুনিক সা-সুবিধা সজ্জিত এখন আদৰ্শ গাঁৱৰ আৰ্হি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰালয়ৰ দ্বাৰা প্ৰদৰ্শিত এই আদৰ্শ গাঁৱৰ পেভেলিয়নত বিদ্যালয়, পঞ্চায়ত ঘৰ, অংগনৱাড়ী, স্থায়ী বাসগৃহ আৰু মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত নিয়োগৰ সুবিধা আদি বিষয়ত আলোকপাত কৰা হৈছে। পেভেলিয়নৰ দায়িত্বত থকা বিষয়া ৰিয়া সিঙে আকাশবাণীৰ সংবাদদাতাৰ আগত কয়, যে এই প্ৰদৰ্শনীত গ্ৰামাঞ্চলত ৰূপায়ণ হৈ থকা চৰকাৰী সকলোবোৰ আঁচনি প্ৰদৰ্শনৰ দিহা কৰা হৈছে।

০০০০০০

বৈধ নথি অবিহনে দেশত বাস কৰি থকা ৪ গৰাকী মহিলাসহ ৭ জন বাংলাদেশী নাগৰিকক মুম্বাইৰ পৰা আটক কৰা হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে এই লোককেইজনে বিগত প্ৰায় ৫ বছৰ ধৰি চেম্বুৰৰ মেহুলত বাস কৰি আছিল। আৰক্ষীৰ জেৰাত লোককেইজনে নিজকে বাংলাদেশৰ নাগৰিক বুলি চিনাকী দিয়াৰ লগতে ২০২০ চনৰ মাৰ্চৰ পৰা তেওঁলোকে কোনোধৰণৰ বৈধ নথিপত্ৰ অবিহনে ভাৰতত বাস কৰি থকাৰ কথা স্বীকাৰ কৰিছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূব অসমৰ কোনো কোনো অংশত অহা ২-৩ দিনত ধুমুহা, গাজনিৰে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি অহা তিনিদিনলৈ দেশৰ উত্তৰ-অংশৰ তাপমাত্ৰা একেদৰেই থাকিব। অহা ৪-৫ দিনত মধ্য ভাৰত আৰু মহাৰাষ্ট্ৰৰ সৰ্বোচ্চ তাপমাত্ৰা ২-৪ ডিগ্ৰী ছেলচিয়াছলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

০০০০০০

এল এণ্ড টি মুম্বাই অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত মায়া ৰাজেশ্বৰণ ৰেভাথি আজি ছেমি ফাইনেলত ছুইজাৰলেণ্ডৰ জিল টেকমেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ১৫ বছৰীয়া খেলুৱৈগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত কালি জাপানৰ মেই য়ামাগুচিক ৬-৪, ৩-৬, ৬-২ ছেটত পৰাজিত কৰে। প্ৰতিযোগিতাৰ ছিংগলছত এতিয়ালৈকে বৰ্তি থকা মায়াই হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ। প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰাৰ্থনা থম্ব্ৰে আৰু এৰিয়েন হাৰ্টোনোৱে ইডেন ছিলভা আৰু এনাষ্টাচিয়া তিখ'নোভাক ২-৬, ৬-৪, ১০-২ ছেটত পৰাজিত কৰি দ্বিতীয়বাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে।

0000